# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-03-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

**- - - - - - -**

১। জ্যেষ্ঠ ভোটদাতা, দিব্যাংগ ব্যক্তি আৰু কোভিড পজিটিভ লোকৰ বাবে পোষ্টেল বেলটত ঘৰৰ পৰা ভোটদানৰ সুবিধা দিয়া হ'ব বুলি মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ ঘোষণা।

২। ২০ মাৰ্চৰ পৰা ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ উপস্থিতিত ভোটিং মেচিনসমূহৰ পৰীক্ষা। ইলেকট্ৰনিক ভোটিং মেচিন কঢ়িওৱা বাহনসমূহত জিপিএছ ব্যৱস্থাৰ সংযোজন।

৩। ৰাজ্যৰ বিভিন্ন জিলাত নিৰ্বাচনী বিভাগসমূহৰ নিৰ্বাচন আচৰণ বিধি সন্দৰ্ভত সজাগতা কাৰ্যসূচী ৰূপায়ণ।

৪। সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিত ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান আৰম্ভ।

**আৰু**

৫। আজি দিল্লীত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ ডেল্‌হি কেপিটেলছৰ মুখামুখি।

০০০০০

লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে আজি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে হাতত লোৱা ব্যৱস্থাৱলীসমূহ ব্যক্ত কৰে। জনতা ভৱনত আয়োজিত এখন সংবাদমেলক সম্বোধন কৰি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে ৰাজ্যত মুঠ ভোটাৰৰ সংখ্যা ২ কোটি ৪৩ লাখ এহাজাৰ ৯৬০ গৰাকী বুলি জানিবলৈ দিয়ে। ইয়াৰ ভিতৰত  ১ কোটি ২১ লাখ ৭৯ হাজাৰ ৩৫৮ জন পুৰুষ ভোটাৰৰ বিপৰীতে মহিলা ভোটাৰৰ সংখ্যা ১ কোটি ২১ লাখ ২২ হাজাৰ ১৮৮ গৰাকী। ৰাজ্যত সৰ্বমুঠ ৪১৪ জন তৃতীয় লিংগৰ ব্যক্তিয়ে ভোটদাতা হিচাপে নাম পঞ্জীয়ন কৰিছে। অৱশ্যে তিনিওটা পৰ্যায়ৰ নিৰ্বাচনৰ অধিসূচনা প্ৰকাশ হোৱালৈকে ভোটাৰৰ সংখ্যা বৃদ্ধি পাব শ্ৰীগোৱেলে জানিবলৈ দিয়ে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে লগতে এইবাৰৰ নিৰ্বাচনত বঙাইগাঁৱত এটা, কামৰূপ মহানগৰ জিলাত ৩টা আৰু কামৰূপ জিলাত এটাকৈ ভোটগ্ৰহণ কেন্দ্ৰ বৃদ্ধি পোৱাৰ ফলত সৰ্বমুঠ ৫টা ভোটকেন্দ্ৰ বৃদ্ধি পাইছে বুলি জানিবলৈ দিয়ে। ৰাজ্যত সৰ্বমুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ২৮ হাজাৰ ৬৫৪টা। ইয়াৰ ভিতৰত ২৬২টা কেন্দ্ৰক আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হৈছে। উল্লেখযোগ্য যে ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ ভিতৰত এহাজাৰ ৪০৯টা কেন্দ্ৰ কেৱল মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। ৰাজ্যৰ ৫০টা স্থানত ১২৬টা ষ্ট্ৰং ৰূমৰ ব্যৱস্থা থাকিব বুলিও শ্ৰীগোৱেলে প্ৰকাশ কৰে।

শ্ৰীগোৰেলে লগতে কয় যে, তিনিওটা পৰ্যায়ৰ নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱাৰ ১০ দিন আগলৈকে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে যোগ্য নাগৰিকে আৱেদন জনাব পাৰিব। এই আৱেদনসমূহৰ ভিত্তিত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব।

নিৰ্বাচন সুচাৰুৰূপে পৰিচালিত কৰাৰ বাবে ৩৪ হাজাৰ ৩৮০টা ভোটিং মেচিন আৰু ৩৭ হাজাৰ ২৪৫টা ভিভি পেট সাজু কৰা হৈছে বুলি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে অৱগত কৰে। অহা ২০ মাৰ্চৰ পৰা ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ উপস্থিতিত ভোটিং মেচিনসমূহ পৰীক্ষা কৰা হ'ব। আনহাতে নিৰ্বাচনী আচৰণ বিধি উলংঘা বা অবৈধ ধনৰ লেনদেনকে ধৰি সম্ভাব্য অনিয়মসমূহ পৰ্যবেক্ষণ কৰাৰ বাবে ফ্লায়িংস্কোৱাডকে ধৰি নিৰীক্ষণকাৰী গোট গঠন কৰা হ'ব বুলি শ্ৰীগোৰেলে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে, ১৫ হাজাৰ ৭৭৭টা ভোটগ্ৰহণ কেন্দ্ৰত ৱেবকাষ্টিঙৰ ব্যৱস্থা থাকিব। ইলেকট্ৰনিক ভোটিং মেচিন কঢ়িওৱা বাহনসমূহত জিপিএছ ব্যৱস্থা সংলগ্ন কৰাৰ লগতে নিয়ন্ত্ৰণ কক্ষৰ পৰা এইসমূহৰ অবিৰত নিৰীক্ষণ কৰা হ'ব।

শ্ৰীগোৰেলে ৮৫ বছৰ অতিক্ৰম কৰা জ্যেষ্ঠ নাগৰিক, ৪০ শতাংশতকৈ অধিক প্ৰতিবন্ধকতা থকা দিব্যাংগ ব্যক্তি আৰু কোভিড পজিটিভ লোকৰ বাবে পোষ্টেল বেলটত ঘৰৰ পৰা ভোটদানৰ ব্যৱস্থা কৰা হ'ব বুলি জানিবলৈ দিয়ে। ইয়াৰ বাবে নিৰ্দিষ্ট ব্যক্তিয়ে নিৰ্ধাৰিত আৱেদনপত্ৰ পূৰণ কৰিব লাগিব। নিৰ্বাচনী দায়িত্বত থকা বিষয়া, আৰক্ষী, শ্ৰমিক আদিয়েও পোষ্টেল বেলট সুবিধা কেন্দ্ৰত ভোটদান কৰিব পাৰিব। ৰাজ্যত ৪৫ হাজাৰ ১৭৬ জন দৃষ্টিহীন ভোটদাতা থকাৰ পৰিপ্ৰেক্ষিতত ব্ৰেইল পদ্ধতিৰ বেলট আৰু ভোটাৰ শ্লিপৰো ব্যৱস্থা কৰা হৈছে।

নিৰ্বাচন পৰিচালনাৰ বাবে ৬০টা অৰ্ধসামৰিক বাহিনীৰ সহায় লাভ কৰা বুলি উল্লেখ কৰি মুখ্য নিৰ্বাচনী বিষয়া শ্ৰীগোৰেলে কয় যে, নিৰ্বাচনৰ সময়ত অতিৰিক্ত অৰ্ধসামৰিক বাহিনী মোতায়েন কৰা হ'ব। ৰাজনৈতিক দলসমূহে যিকোনো ধৰণৰ অনুজ্ঞা লাভৰ বাবে Xubidha.Eci.gov.in প'ৰ্টেলত আৱেদন কৰিব পাৰিব। নিৰ্বাচন বিষয়ক যিকোনো ওজৰ-আপত্তিৰ বাবে ১৯৫০ টোলফ্ৰী নম্বৰত যোগাযোগ কৰিব পাৰিব।

০০০০০

নিৰ্বাচন আয়োগে সমাগত লোকসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছত আজি ৰাজ্যৰ বিভিন্ন জিলাত নিৰ্বাচন সন্দৰ্ভত সংবাদমেল আৰু সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই উপলক্ষে কামৰূপ জিলাত জিলা আয়ুক্তগৰাকীয়ে এখন সংবাদমেল সম্বোধন কৰি মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সকলো পক্ষৰ সহায়-সহযোগিতা কামনা কৰে। নিৰ্বাচনী আচৰণ বিধি বলৱৎ কৰাৰ পৰিপ্ৰেক্ষিতত জিলাখনত জিলা প্ৰশাসনৰ তৰফৰ পৰা চৰকাৰী প্ৰচাৰমূলক বিজ্ঞাপনসমূহ আঁতৰ কৰাৰ লগতে অন্যান্য বিধি সঠিকভাৱে পালন কৰাৰ কাৰণে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কামৰূপ নিৰ্বাচনী জিলাত মুঠ ৯৬৫টা ভোটগ্ৰহণ কেন্দ্ৰত সুচাৰুৰূপে নিৰ্বাচনী প্ৰক্ৰিয়া চলাই নিবৰ কাৰণে পৰ্যাপ্ত সংখ্যক ভোটগ্ৰহণকাৰী বিষয়া চিনাক্ত কৰি উলিওৱা হৈছে বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে ভোটগ্ৰহণকাৰী বিষয়াসকলক প্ৰশিক্ষণ প্ৰদানৰ বাবে অহা ১৯ মাৰ্চৰ পৰা কাৰ্য ব্যৱস্থা হাতত লোৱা হ'ব। জিলাখনত ১৯টা মহিলাৰ দ্বাৰা পৰিচালিত ভোটগ্ৰহণ কেন্দ্ৰ, এটা যুৱ কেন্দ্ৰ আৰু চাৰিটা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। সংবাদমেলৰ পাছত জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ ৰাজনৈতিক দলক প্ৰতিনিধিসকলৰ সৈতেও নিৰ্বাচনী আচৰণ বিধি সন্দৰ্ভত এখন সভাত মিলিত হয়।

হাতশিঙিমাৰী জিলা প্ৰশাসনে এখন সংবাদমেল আয়োজন কৰি বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তী ৮১টা কেন্দ্ৰত বিশেষ সতৰ্কতা অৱলম্বন কৰা হ'ব বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে জিলাখনত ৭৪টা স্পৰ্শকাতৰ

আৰু ৮১টা অতি স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰ আছে। ইয়াৰোপৰি দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৩৪৭টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ৫টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ আছে। মহিলা বিষয়াৰ দ্বাৰা পৰিচালনা কৰা ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ৫টা। জিলাখনত সৰ্বমুঠ ২ লাখ ৯৬ হাজাৰ ৮৯২ গৰাকী ভোটদাতা আছে বুলি জানিবলৈ দি জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই কয় যে, ইয়াৰ ভিতৰত ১ লাখ ৪৭ হাজাৰ ৪৭ গৰাকী মহিলা ভোটদাতা। জিলাখনত তৃতীয় লিংগৰ ভোটাৰৰ সংখ্যা ৩ গৰাকী বুলি আয়ুক্তগৰাকীয়ে অৱগত কৰে।

কোকৰাঝাৰ জনজাতি সংৰক্ষিত লোকসভা সমষ্টিৰ অধীনৰ চিডলী-চিৰাং সমষ্টিত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আজি চিৰাং জিলা আয়ুক্তই এখন সংবাদমেলক সম্বোধন কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত সভাখনত সংবাদদাতা আৰু ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলক সম্বোধন কৰি আয়ুক্ত পি বিজয় ভাস্কৰ ৰেড্ডীয়ে জিলাখনৰ মুঠ ২৬৯টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত দুটা আদৰ্শ কেন্দ্ৰ, ২০টা মহিলাৰ দ্বাৰা পৰিচালিত কেন্দ্ৰ, এটা যুৱ কেন্দ্ৰ আৰু এটা দিব্যাংগ কেন্দ্ৰ স্থাপন কৰা হ'ব জানিবলৈ দিয়ে।

বঙাইগাঁও জিলাতো আয়ুক্তই এখন সংবাদমেল সম্বোধন কৰি লোকসভা নিৰ্বাচনত জিলাখনৰ মুঠ ৫ লাখ ৬৩ হাজাৰ ২৭৪ জন ভোটদাতাই ৬৮৯টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান কৰিব বুলি জানিবলৈ দিয়ে। অনুৰূপভাৱে ধুবুৰী জিলাত জিলা নিৰ্বাচনী বিষয়া দিবাকৰ নাথে জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলী সন্দৰ্ভত অৱগত কৰে।

আনহাতে নলবাৰী জিলাত ৬ লাখ ১৩ হাজাৰ ১৮০ গৰাকী ভোটদাতাই এইবাৰ ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰিব বুলি জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া বৰ্ণালী ডেকাই এখন সংবাদমেলযোগে অৱগত কৰিছে। জিলাখনৰ ৮০৭টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব।

গোৱালপাৰাতো জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া খনীন্দ্ৰ চৌধুৰীয়ে সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে এখন সভাত মিলিত হৈ নিৰ্বাচনী আচৰণ বিধিৰ পৰিপ্ৰেক্ষিতত দলসমূহৰ কৰণীয় সম্পৰ্কত আলোচনা কৰে। ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে অনলাইন পদ্ধতিত অনুজ্ঞা লাভৰ বাবে গ্ৰহণ কৰিবলগীয়া আৱেদন প্ৰক্ৰিয়াৰ বিষয়েও অৱগত কৰে।

নগাঁও জিলা আয়ুক্তই আজি এখন সংবাদমেলত জিলাখনৰ নিৰ্বাচন প্ৰক্ৰিয়া সম্পৰ্কে অৱগত কৰে। আয়ুক্তগৰাকীয়ে আগন্তুক সাধাৰণ নিৰ্বাচনৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ত জিলাখনত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিয়ে। এই সম্পৰ্কীয় নিৰ্দেশনা অহা ২৮ তাৰিখে জাৰি কৰা হ'ব। প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত জিলাখনৰ কাজিৰঙা-কলিয়াবৰ লোকসভা সমষ্টি নিৰ্বাচনৰ বাবে নগাঁও জিলাৰ বঢ়মপুৰ বিধানসভা সমষ্টিত ভোটগ্ৰহণ হ'ব। আনহাতে ২৬ এপ্ৰিলত নগাঁও লোকসভা সমষ্টিৰ নিৰ্বাচনত জিলাখনৰ ৫টা বিধানসভা সমষ্টি নগাঁও-বটদ্ৰৱা, ৰূপহীহাট, চামগুৰি, ধিং আৰু ৰহাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। নিৰ্বাচনৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হোৱাৰ লগতে প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ কাৰণে ইলেকট্ৰনিক ভোটিং মেচিনৰ পৰীক্ষণ প্ৰক্ৰিয়াও সম্পূৰ্ণ হৈছে। ইয়াৰ লগতে ভোটগ্ৰহণকাৰী বিষয়াসকলক প্ৰশিক্ষণ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱা বুলি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজন কৰা সংবাদমেলখনত আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে এইবাৰৰ সাধাৰণ নিৰ্বাচনত জিলাখনৰ সৰ্বমুঠ ১৩ লাখ ১২ হাজাৰ ১৪৪ গৰাকী ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ সুবিধা পাব। এতিয়ালৈকে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত নকৰা যোগ্য নাগৰিকসকলক মনোনয়ন পত্ৰ দাখিল কৰাৰ আগতে নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনা নাম অন্তৰ্ভুক্ত কৰিবলৈ নগাঁও জিলাৰ আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে আহ্বান জনায়।

সংবাদমেলখনত নগাঁও জিলাৰ আৰক্ষী অধীক্ষক আৰু নিৰ্বাচনী বিষয়াকে ধৰি ভালে কেইজন উচ্চ পদস্থ বিষয়াও উপস্থিত থাকে।

যোৰহাট জিলা প্ৰশাসনেও নিৰ্বাচনী আচৰণ বিধি সন্দৰ্ভত আজি দুখন সভাৰ আয়োজন কৰে। যোৰহাট তাৰকাগৃহৰ সভাকক্ষত শীৰ্ষ আৰক্ষী বিষয়া আৰু অন্যান্য বিভাগৰ মুৰব্বীসকলৰ উপস্থিতিত অনুষ্ঠিত সভা দুখন জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে নিৰ্বাচনী আচৰণ বিধি আৰু সাধাৰণ নিৰ্বাচনৰ নিয়মাৱলীৰ সম্পৰ্কে পুংখানুপুংখভাৱে অৱগত কৰে। জিলাখনৰ আয়ুক্তই উপস্থিত সকলোকে নিৰ্বাচনী আচৰণ বিধি তথা নিৰ্বাচনৰ নিয়মাৱলীসমূহ সঠিকভাৱে মানি চলি নিৰ্বাচনত নিজৰ কৰ্তব্য পালন কৰিবলৈ আহ্বান জনায়। সভাকেইখনত আৰক্ষী অধীক্ষক, অতিৰিক্ত জিলা আয়ুক্তকে ধৰি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে।

ধেমাজি জিলাতো জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া অংকুৰ ভৰালী এখন সংবাদমেলৰ জৰিয়তে ১৯ এপ্ৰিলত লখিমপুৰ লোকসভা সমষ্টিৰ ভোটগ্ৰহণ কৰাৰ বাবে জিলা প্ৰশাসন সাজু হোৱা বুলি জানিবলৈ দিছে। জিলাখনত সৰ্বমুঠ ৩৯৩টা কেন্দ্ৰত ভোটগ্ৰহণ  কৰা হ'ব বুলি জানিবলৈ দি জিলা আয়ুক্তগৰাকীয়ে কয় যে, ইয়াৰে ১০টা ভোটকেন্দ্ৰ কেৱল মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। জিলাখনৰ মুঠ ২ হাজাৰ ১৯৫ গৰাকী দিব্যাংগ ভোটদাতাৰ ভোটগ্ৰহণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ বিষয়েও আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। ইয়াৰোপৰি জিলাখনৰ ২ হাজাৰ ১৫৭ জন জ্যেষ্ঠ ভোটাৰৰ বাবেও ভোটগ্ৰহণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সংবাদমেলত উপস্থিত থাকি জিলা আৰক্ষী অধীক্ষকে সুচাৰুৰূপে নিৰ্বাচন পৰিচালনা কৰাৰ বাবে অৰ্ধসামৰিক বাহিনী মোতায়েন কৰা হ'ব বুলি জানিবলৈ দিয়ে।

মাজুলী জিলাত জিলা আয়ুক্তৰ উপস্থিতিত অনুষ্ঠিত এখন সভাত জিলাখনৰ মুঠ ১৭৬টা ভোটগ্ৰহণ কেন্দ্ৰত ১ লাখ ৪০ হাজৰ ৬৪১ গৰাকী ভোটাৰে ভোটদান কৰিব বুলি জিলা প্ৰশাসনে অৱগত কৰে। জিলাখনত সৰ্বমুঠ ৬৫৯ গৰাকী জ্যেষ্ঠ ভোটাৰ আৰু ৫২৬ গৰাকী বিশেষভাৱে সক্ষম ভোটাৰে বেলট পেপাৰৰ জৰিয়তে ঘৰৰ পৰাই ভোটদান কৰিব পাৰিব বুলি জিলা আয়ুক্ত ডাঃ কাবেৰী বি শৰ্মাই জানিবলৈ দিয়ে। তিনিচুকীয়া জিলাতো এখন সংবাদমেলক সম্বোধন কৰি জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া স্বপ্নীল পালে জিলাখনৰ লোকসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত অৱগত কৰে। জিলাখনৰ ৯০টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

লখিমপুৰ জিলাতো এখন সংবাদমেলক সম্বোধন কৰি জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকে লোকসভা নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে বিতংভাৱে অৱগত কৰে। ভোটগ্ৰহণ কেন্দ্ৰ, পৰিবহণ, যোগাযোগ, অনুমতি, নিৰাপত্তা আদি বিষয়ত জিলা প্ৰশাসনৰ তৰফৰ পৰা জানিবলৈ দিয়াৰ লগতে নিৰ্বাচন সম্বন্ধীয় ভুৱা তথ্য প্ৰতিৰোধ কৰিবৰ বাবে সংবাদমাধ্যমৰ সহায়-সহযোগিতাৰ কামনা কৰে।

০০০০০

লোকসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলসমূহ নিৰ্বাচনী প্ৰচাৰত ব্যস্ত হৈ পৰিছে। এই উদ্দেশ্যে  ডিব্ৰুগড়ৰ বাণীপুৰত ভাৰতীয় জনতা পাৰ্টীৰ কাৰ্যকৰ্তাসকলৰ সৈতে কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এখন সভাত অংশগ্ৰহণ কৰে। ইয়াৰ লগতে মন্ত্ৰীগৰাকীয়ে চাবুৱা লাহোৱাল বিধানসভা সমষ্টিৰ অসম গণ পৰিষদৰ কৰ্মকৰ্তাসকলৰ সৈতেও নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে।

গোলাঘাট জিলাৰ কাজিৰঙা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছা আৰু ৰাজ্যৰ বিত্ত মন্ত্ৰী অজন্তা নেওগে জিলাখনৰ কেইবাখনো দলীয় আৰু কৰ্মীসভাত অংশগ্ৰহণ কৰে। বিজেপি নেতা দুয়োগৰাকীয়ে গোলাঘাটৰ সতী সাধিনী ক্ষেত্ৰ, মেৰাপানী, বৰুৱা গাঁও ইত্যাদি ঠাইসমূহত নিৰ্বাচনী প্ৰচাৰ চলায়।

ইফালে আম আদমী পাৰ্টীৰ মহানগৰীৰ গণেশগুৰিস্থিত ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলক সম্বোধন কৰি দলটোৰ জ্যেষ্ঠ মুখপাত্ৰ অনুৰূপা ডেকাৰজাই কয় যে, আগন্তুক নিৰ্বাচনত দেশৰ মুঠ ২২টা লোকসভা সমষ্টি আপে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰ ভিতৰত ৰাজ্যত দুখন আসনত দলটোৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইয়াৰ পূৰ্বে ৰাজ্যত ৩খন আসনত দলটোৱে প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ কথা আছিল যদিও দলটোৰ ৰাষ্ট্ৰীয় ৰাজনৈতিক পৰিক্ৰমা কমিটীৰ সিদ্ধান্তমৰ্মে গুৱাহাটী লোকসভা সমষ্টি প্ৰত্যাহাৰ কৰা হৈছে। আপে শোণিতপুৰ আৰু ডিব্ৰুগড় লোকসভা সমষ্টিত সফলতা লাভ কৰিবৰ বাবে সৰ্বশক্তি প্ৰয়োগ কৰিব বুলি শ্ৰীডেকাৰজাই উল্লেখ কৰে।

আনফালে যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি চৰাইদেউ জিলাৰ সোণাৰি বিধানসভা সমষ্টিৰ বহুকেইখন চাহ বাগিচাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাত শ্ৰীগগৈয়ে মূল্যবোধৰ ৰাজনীতিক প্ৰাধান্য দিবলৈ নৱ প্ৰজন্মক আহ্বান জনায়।

ooooo

অৰুণাচল প্ৰদেশ আৰু চিকিমত বিধানসভা নিৰ্বাচনৰ ভোটগণনা নিৰ্বাচন আয়োগে পূৰ্বে ঘোষণা কৰা ৪ জুনৰ পৰিৱৰ্তে ২ জুনত অনুষ্ঠিত হ'ব। অৱশ্যে লোকসভা নিৰ্বাচনৰ ক্ষেত্ৰত তাৰিখৰ কোনো সালসলনি কৰা হোৱা নাই।

ooooo

ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ আজি দিল্লীৰ অৰুণ জেট্‌লী ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ডেল্‌হি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

ooooo

নিৰ্বাচন আয়োগৰ সমাগত লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা, দেশৰ নৱনিযুক্ত নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুৰ কাৰ্যভাৰ গ্ৰহণ, দেশত নাগৰিকত্ব সংশোধনী আইন বলবৎকৰণকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

নিৰ্বাচন আয়োগে সমাগত লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিছে। এই অনুসৰি ৭টা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ৪ জুনত ভোটগণনা কৰা হ'ব। অসমত ৩টা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিল, দ্বিতীয় পৰ্যায়ত ২৬ এপ্ৰিল আৰু তৃতীয় পৰ্যায়ত ৭ মে'ত ভোটগ্ৰহণ কৰা হ'ব। প্ৰথম পৰ্যায়ৰ বাবে অহা ২০ মাৰ্চত অধিসূচনা জাৰি কৰা হ'ব। মনোনয়ন দাখিলৰ অন্তিম দিন ২৭ মাৰ্চ আৰু মনোনয়ন প্ৰত্যাহাৰৰ শেষ দিন ৩০ মাৰ্চ ধাৰ্য কৰা হৈছে। ৰাজ্যখনত নৱগঠিত কাজিৰঙা সমষ্টিৰ উপৰি শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত প্ৰথম পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰা হৈছে। একেদৰে দৰং- ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। আয়োগে লোকসভা

নির্বাচনৰ সমান্তৰালভাৱে চাৰিখন ৰাজ্যৰ বিধানসভা নির্বাচনৰ সূচীও প্রকাশ কৰে। মুখ্য নির্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কালি নতুন দিল্লীত এই বিষয়ে ঘোষণা কৰে।

০০০০০

দেশৰ নৱনিযুক্ত নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুৱে যোৱা ১৫ মার্চত কার্যভাৰ গ্রহণ কৰে। দেশৰ নির্বাচন আয়োগে এটা বিবৃতি যোগে প্রকাশ কৰা মতে মুখ্য নির্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে নির্বাচন সন্দর্ভত আয়োজিত এটা অনুষ্ঠানত নতুনকৈ নিযুক্তি লাভ কৰা নির্বাচন আয়ুক্ত দুগৰাকীক আসন্ন ব্যস্ততাপূর্ণ ১২ টা সপ্তাহৰ বাবে আদৰণি জনায়। বিবৃতিটোত প্রকাশ পোৱা মতে বিশ্বৰ সর্ববৃহৎ গণতন্ত্রৰ ২০২৪ বর্ষৰ লোকসভা নির্বাচন পৰিচালনা কৰাৰ বাবে ভাৰতৰ নির্বাচন আয়োগ প্রস্তুত হ'বলৈ লোৱাৰ ঐতিহাসিক সময়ছোৱাত নির্বাচন আয়ুক্ত দুগৰাকীয়ে নতুনকৈ কামত যোগদান কৰাটোক মুখ্য নির্বাচন আয়ুক্তগৰাকীয়ে গুৰুত্বপূর্ণ হিচাপে অভিহিত কৰিছে।

০০০০০

যোৱা ১১ মার্চত নাগৰিকত্ব সংশোধনী আইন সন্দর্ভত অধিসূচনা জাৰি কৰা হয়। ইয়াৰ লগে লগে দেশজুৰি এই আইন বলৱৎ হোৱাটো নিশ্চিত হয়। এই সন্দর্ভত ২০১৯ চনত সংসদৰ দুয়োখন সদনত বিধেয়ক গৃহীত হৈছিল। ইয়াৰ ফলত বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানৰ পৰা ২০১৪ চন পর্যন্ত ভাৰতলৈ অহা হিন্দু, জৈন, খ্রীষ্টান, শিখ, বৌদ্ধ আৰু পার্চি ধর্মীয় শৰণার্থীসকলে ভাৰতীয় নাগৰিকত্ব লাভ কৰিব পাৰিব। গৃহ পৰিক্রমা মন্ত্রালয়ে নাগৰিকত্ব সংশোধনী আইন ২০১৯ৰ অধীনত নাগৰিকত্ব সংশোধনী নিয়ম ২০২৪ ঘোষণা কৰে। এই নিয়মৰ জৰিয়তে নাগৰিকত্ব সংশোধনী আইন ২০১৯ৰ অধীনত যোগ্য ব্যক্তিসকলে ভাৰতীয় নাগৰিকত্ব প্রাপ্তিৰ বাবে আবেদন কৰিব পাৰিব।

ইফালে, নাগৰিকত্ব সংশোধনী নিয়মাৱলী, ২০২৪-ৰ ৰূপায়ণ স্থগিত ৰখাৰ বাবে অসম বিধানসভাৰ বিৰোধী দলৰ নেতা দেৱব্রত শইকীয়া আৰু সাংসদ আব্দুল খালেকে যোৱা ১৩ মার্চত উচ্চতম ন্যায়ালয়ত এখন আবেদন দাখিল কৰে। আবেদনখনত এই নিয়মসমূহ অসাংবিধানিক বুলি উল্লেখ কৰাৰ লগতে ইয়াৰ দ্বাৰা অসম চুক্তিৰ দফা উলংঘা হয় বুলি কোৱা হৈছে। এই আইনখন আৰু নিয়মাৱলীসমূহে নির্দিষ্ট ধর্মীয় গোটসমূহক ৰক্ষণাবেক্ষণ দিয়াৰ পোষকতা কৰিছে বুলি আবেদনখনত উল্লেখ কৰা হয়। ইফালে, অসম জাতীয়তাবাদী যুৱ ছাত্র পৰিষদেও নাগৰিকত্ব সংশোধনী আইনৰ স্থগিতাদেশ বিচাৰি উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছে।

ইফালে, বিৰোধী দল কংগ্রেছৰ উপৰি বিভিন্ন দল-সংগঠনে এই আইনৰ বিৰোধিতা কৰি ৰাজ্যত প্রতিবাদী কার্যসূচী গ্রহণ কৰে। সদৌ অসম ছাত্র সন্থাইও ১২ মার্চত এই আইনৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰে।

০০০০০

উচ্চতম ন্যায়ালয়ে ইলেক্টৰেল ব'ণ্ড সম্পর্কীয় তথ্য প্রদানৰ বাবে ভাৰতীয় ষ্টেট বেংকক দিয়া নির্দেশ অনুসৰি বেংকে নির্বাচন আয়োগক তথ্য দাখিল কৰে। আয়োগৰ সূত্রই যোৱা ১২ মার্চত এই বিষয়ে প্রকাশ কৰে। উল্লেখযোগ্য যে, এই তথ্য প্রদানৰ বাবে ৩০ জুনলৈকে সময়সীমা বৃদ্ধি কৰিবলৈ ষ্টেট বেংকে দাখিল কৰা আবেদন ন্যায়ালয়ে খাৰিজ কৰি ১২ মার্চৰ ভিতৰত ষ্টেট বেংকক ইলেক্টৰেল ব'ণ্ড সম্পর্কীয় সকলো তথ্য দাখিল কৰিবলৈ নির্দেশ দিছিল।

০০০০০

কোকৰাঝাৰৰ বাথৌ পৰম্পৰাগত আৰু সাংস্কৃতিক কেন্দ্ৰ তথা সদৌ বাথৌ মহাসভাৰ এটা প্ৰতিনিধি দলে যোৱা ১১ মাৰ্চত ভাৰতৰ মহা-পঞ্জীয়ক তথা দেশৰ লোকপিয়ল আয়ুক্তক সাক্ষাৎ কৰি এখন স্মাৰক-পত্ৰ দাখিল কৰে। স্মাৰক পত্ৰখনত হিন্দু, খ্ৰীষ্টান, শিখ, জৈন আদি ধৰ্মৰ লেখীয়াকৈ বাথৌ ধৰ্মক আনুষ্ঠানিকভাৱে স্বীকৃতি দিয়াৰ আহ্বান জনোৱা হৈছে।

০০০০০

কাইলৈৰ পৰা ২৩ মাৰ্চলৈ নাগালেণ্ডত তৃতীয় উত্তৰ-পূব ক্ৰীড়া অনুষ্ঠিত হ'ব। নাগালেণ্ড চৰকাৰৰ সহযোগত নাগালেণ্ড অলিম্পিক সন্থাই আয়োজন কৰা এই প্ৰতিযোগিতাত উত্তৰ-পূবৰ কমেও ৮ খন ৰাজ্যৰ প্ৰায় আঢ়ৈ হাজাৰ খেলুৱৈ তথা বিষয়াই অংশ ল'ব। পুৰুষ আৰু মহিলাৰ মুঠ ১৫ বিধ খেল অনুষ্ঠিত হ'বলগীয়া এই ক্ৰীড়ালৈ অসম অলিম্পিক সন্থাই এটা ৩৭০ জনীয়া দল প্ৰেৰণ কৰিছে।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিসমূহৰ চমু অৱলোকন।

০০০০০

সমাপ্ত